**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নং ঃ ২৩৮**

# অসম তথ্য আৰু জনসংযোগ বিষয়া সংস্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন

**দিছপুৰ, ৩০ আগষ্ট ঃ** আজি অসম তথ্য আৰু জনসংযোগ বিষয়া সংস্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি নিৰ্বাচন অনুষ্ঠিত কৰি গঠন কৰা হয়। উল্লেখযোগ্য যে, কাৰ্যনিৰ্বাহক সমিতিখনৰ সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, যুটীয়া সম্পাদক আৰু কোষাধ্যক্ষ পদৰ বাবে গণতান্ত্ৰিক প্ৰক্ৰিয়া অনুসৰি নিৰ্বাচন অনুষ্ঠিত কৰি প্ৰাৰ্থীসকলক নিৰ্বাচন কৰা হয়। নিৰ্বাচন প্ৰক্ৰিয়াত ৯৫.৭১ শতাংশ ভোটাৰে ভোটদান কৰে। নিৰ্বাচনৰ ফলাফল অনুসৰি সভাপতি পদত সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক দীন নাথ লয়িঙে সভাপতি পদৰ বাবে আৰু মৃদুপৱন বৰাই কোষাধ্যক্ষ পদৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। আনহাতে, উপ-সভাপতি পদত অংশুমা মহিলাৰীয়ে ১২ টা ভোটৰ ব্যৱধানত, সাধাৰণ সম্পাদক পদত ইফটিখাৰ জামানে ৪৪ টা ভোটৰ বিপুল ব্যৱধানত আৰু যুটীয়া সম্পাদক পদত জয়ন্ত মাউতে ১০ টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। তদুপৰি সাধাৰণ সভাই কাৰ্যনিৰ্বাহক সমিতিৰ বাবে ৬ গৰাকী সদস্য মনোনীত কৰে। তেওঁলোক হৈছে বংকিম ভাগৱতী, স্বাক্ষৰ ডেকা, মঞ্জুৰাণী ডেকা, শিখা শইকীয়া, চুম্পী চুতীয়া আৰু দিব্যজ্যোতি শৰ্মা। নিৰ্বাচন পৰিচালনাৰ বাবে অনুসূচীত জাতিৰ সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক হেমন্ত পেগুক ৰিটাৰ্নিং বিষয়া আৰু তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ পঞ্জীয়ক এল নাংলাইক প্ৰিজাইদিং বিষয়াৰ দায়িত্ব অৰ্পন কৰা হৈছিল। আনহাতে পৰ্যবেক্ষকৰ দায়িত্বত আছিল তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া ৰঞ্জিত গগৈ।

নিৰ্বাচনৰ পিছতে অনুষ্ঠিত হোৰ তথ্য আৰু জনসংযোগ বিষয়া সংস্থাৰ সাধাৰণ সভাৰ বৈঠকত বিষয়াসকলে উত্থাপন কৰা জিলা-মহকুমা কাৰ্যালয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। লগতে সঞ্চালকালয়ৰ বিষয়াসকলৰ সেৱা বিধিৰ সংশোধনৰ লগতে, কাৰ্যালয়ৰ কাম-কাজ অধিক ক্ষিপ্ৰ আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰয়োজন হোৱা কাৰিকৰী তথা অন্যান্য দিশসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। সভাত মুখ্য কাৰ্যালয়ৰ বিষয়াসকলৰ লগতে সকলো জিলা আৰু মহকুমা বিষয়াসকলে অংশগ্ৰহণ কৰে।

*ত্ৰি.হা/প্ৰ.কু.দ/৩০.০৮.২০২২*